# মৰিগাঁৱত জন্মৰ প্ৰমাণ-পত্ৰৰ নামত দণ্ডাধীশৰ ছীল-মোহৰ, চহী জালিয়াতি

## জিলা প্ৰশাসনে দাখিল কৰিলে এজাহাৰ

**মৈৰাবাৰীৰ প্ৰতিবেদক, ২২ জুলাই ঃ** সমগ্ৰ অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম পূৰ্ণগতিত চলি থকাৰ সময়তে মৰিগাঁও জিলাৰ মৈৰাবাৰীত জন্মৰ প্ৰমাণ-পত্ৰ প্ৰদানৰ নামত ব্যাপক কেলেংকাৰি সংগঠিত হৈ থকাৰ তথ্য পোহৰলৈ আহিছে। জন্মৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰিবলৈ সংশ্লিষ্ট ভাৱপ্ৰাপ্ত স্বাস্থ্য বিষয়ালৈ জিলা উপায়ুক্ত কাৰ্যালয়ৰ পৰা কাৰ্যবাহী দণ্ডাধীশে স্বাক্ষৰ কৰা হুকুমৰ ক'পীত কোনোবা দুষ্টচক্ৰই দণ্ডাধীশগৰাকী ছীল, মোহৰ অবৈধভাৱে বনাই চহীৰ জালিয়াতি কৰা বুলি খোদ দণ্ডাধীশগৰাকীয়ে মৈৰাবাৰী থানাত ইতিমধ্যে এজাহাৰ দাখিল কৰিছে। জিলা উপায়ুক্ত কাৰ্যালয়ৰ একাংশ স্বাৰ্থপৰায়ণ লোকৰ সহযোগত অঞ্চলটোৰ এটা অসাধু চক্ৰই দীৰ্ঘদিন ধৰি জন্মৰ প্ৰমাণ-পত্ৰৰ নামত বৃহৎ জালিয়াতিৰ আশ্ৰয় গ্ৰহণ কৰি থকা বুলি যুটীয়া স্বাস্থ্য সঞ্চালকে অভিযোগ লাভ কৰাত বিষয়টো তদন্তক্ৰমে চলিত মাহৰ ২ তাৰিখৰ পৰা মৈৰাবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ গাঁওসমূহৰ জন্মৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰিবলৈ লাহৰীঘাট সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ জ্যেষ্ঠ চিকিৎসক চিত্তৰঞ্জন হালদাৰক কৰ্তৃত্ব প্ৰদান কৰিছিল। জন্মৰ প্ৰমাণ-পত্ৰৰ ক্ষেত্ৰত কাৰ্যবাহী দণ্ডাধীশৰ চহী জালিয়াতি কৰাৰ কথাটো যিহেতু দীৰ্ঘদিনীয়া, সেয়েহে দণ্ডাধীশৰ আদেশ-পত্ৰৰ সত্যতা নিৰূপণ কৰিবলৈ অঞ্চলটোক কেইবাজনো অধিবক্তাই নিজে স্বাক্ষৰ কৰি বিগত দিনসমূহত চিকিৎসা বিষয়াগৰাকীক প্ৰদান কৰি আহিছিল, কিন্তু ইতিমধ্যে জিলা প্ৰশাসনৰ হৈ মৈৰাবাৰী থানাত এজাহাৰ দাখিল কৰাৰ পিছত আদেশ-পত্ৰৰ ক'পীত স্বাক্ষৰ কৰা অধিবক্তাসকলৰ নামত কোনো অধিবক্তা মৰিগাঁও আদালতত নথকাত বিষয়টো জটিলতাৰ মাজলৈ গতি কৰিছে। মুঠ ২১৭গৰাকী অধিবক্তাক লৈ গঠিত মৰিগাঁও বাৰ এছ'চিয়েশনত স্বাক্ষৰ ক... অধিবক্তাৰ নামত কোনো উকীল নথ... একাংশ উকীলৰ ওপৰতো সন্দেহৰ আ... টোঁৱাইছে সচেতন ৰাইজে। ভাৰতীয় দণ্ড... আইনৰ ৪১৯/৪২০/৪৬৮/৪৭১/... ধাৰাৰ অধীনত ১৬৭/১৫ নম্বৰত কজু ... গোচৰটোৰ তদন্তকাৰী বিষয়া যতীন চন্দ্ৰ ... জানিবলৈ দিয়া মতে, এজাহাৰৰ লগত ... কৰি দিয়া ভুৱা আদেশ-পত্ৰৰ ক'পী ... স্বাক্ষৰ কৰা উকীলসকলৰ হাতৰ ... পৰীক্ষাৰ অন্ততহে প্ৰকৃত দোষীক ... কৰিব পৰা যাব। মৈৰাবাৰী প্ৰাথমিক ... কেন্দ্ৰৰ গাঁওসমূহৰ জন্মৰ প্ৰমাণ-পত্ৰ প্ৰদান... কৰ্তৃত্ব লাহৰীঘাট সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ জ্যেষ্ঠ চিকিৎসকক প্ৰদান কৰাৰ পিছত কাৰ্যবাহী দণ্ডাধীশৰ চহী, ছীল-মোহৰ জালিয়াতি কৰা বুলি স্থানীয় আৰক্ষীক এজাহাৰ প্ৰদান কৰা বিষয়টোৱে বিশেষ তাৎপৰ্য বহন কৰিছে।

# নগাঁৱৰ দীঘলীআটি পঞ্চায়তত এন আৰ চি সেৱা কেন্দ্ৰত ৰাইজক হাৰাশাস্তি

**ৰহাৰ প্ৰতিবেদক, ২২ জুলাই ঃ** দেশৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত ৰাজ্যত চলি থকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণৰ কামত একাংশ এন আৰ চি সেৱা কেন্দ্ৰত নথি-পত্ৰৰ নামত একাংশ কৰ্মচাৰীয়ে চলোৱা হাৰাশাস্তিত জনসাধাৰণ অতিষ্ঠ হৈ পৰিছে। অভিযোগ অনুসৰি নগাঁও জিলাৰ ৰহা উন্নয়ন খণ্ডৰ অধীনৰ দীঘলীআটি পঞ্চায়তৰ এন আৰ চি সেৱা কেন্দ্ৰই ৰাইজক জোলোকা জোলোকে পানী খুৱাইছে। সেৱা কেন্দ্ৰলৈ অহাত ঘণ্টাৰ পিছত ঘণ্টা অপেক্ষা কৰি থাকিবলগীয়া হৈছে। প্ৰথম অৱস্থাত ৫/১০ জনৰ নথি লৈ দুই-তিনিদিন ধৰি ব্যক্তিসকলক সেৱা কেন্দ্ৰলৈ মতাত ৰাইজ অতিষ্ঠ হৈ পৰিছে। আনহাতে বিভিন্ন নথি-পত্ৰৰ অজুহাত দেখুৱাই জনসাধাৰণক হাৰাশাস্তি কৰাত কিছু সচেতন লোকে ৰহাৰ চক্ৰ বিষয়াৰ ওচৰতো অভিযোগ দিছে। পঞ্জীয়নৰ শেষ দিন চমু চাপি অহাত সেৱা কেন্দ্ৰত জনসাধাৰণৰ ভিৰ বৃদ্ধি-পোৱাত এন আৰ চি সেৱা কেন্দ্ৰৰ লোকে দৈনিক ২০খন লোকৰ নথি-পত্ৰ লোৱাৰ ব্যৱস্থা কৰি ২০টা কুপন গোটখোৱা জনতাৰ মাজলৈ চৰাইক চাউল দলিয়াই দিয়াৰ দৰে দলিয়াই দিয়ে। উক্ত কুপন যিজন ব্যক্তিয়ে ধৰি ল... পাৰে তেওঁৰ নথি জমা লৈ পিছদিনা কেন্দ্ৰলৈ মাতি পঠিয়ায়। এইদৰে তিনিদিনলৈ এজন ব্যক্তি এন আৰ চি সেৱা কেন্দ্ৰলৈ অহা-যোৱা কৰিব লাগে। অযথা হাৰাশাস্তিৰ সন্মুখীন হোৱা ৰাইজৰ বহুতেই অত্যাধিক মূল ভৰি অনলাইন কোনো পঞ্জীয়নৰ নথি-পত্ৰ জমা দিবলগীয়া হৈ পৰিছে। ভুক্তভোগী জনসাধাৰণে চক্ৰ বিষয়া আৰু জিলা প্ৰশাসনক এইক্ষেত্ৰত হস্তক্ষেপ কৰিবলৈ আহ্বান জনাইছে।